# হেৰোডটাচ

ইতিহাসবিদ্যাৰ প্ৰতিভা হেৰোডটাচ আৰু থুচিডিডিচে দুটা আপাতদৃষ্টিত অজেয় অসুবিধাক পৰাস্ত কৰিছিল–যেনে, লিপিবদ্ধ তথ্যৰ অভাৱ আৰু এক ইতিহাসবিৰোধী দৰ্শন যিয়ে ইতিহাসক এক নিষ্ফল প্ৰচেষ্টা বুলি গণ্য কৰিছিল।

খ্ৰীষ্টপূৰ্ব ৪৮৪ চনত হেলিকাৰ্নাছাছৰ এক উচ্চপৰিয়ালত হেৰোডটাচৰ জন্ম হৈছিল। তেওঁৰ খুৰাকৰ অভিযানৰ বাবে তেওঁ ৩২ বছৰ বয়সত নিৰ্বাসিত হৈছিল। ভৱিষ্যতৰ এই ইতিহাসজ্ঞই এই অযাচিত নিৰ্বাসনকালটো সুদূৰভ্ৰমণৰ মাজেৰে সাৰ্থকভাৱে কটালে। এই ভ্ৰমণবোৰে তেওঁক ফিনিচিয়া, ইজিপ্ট, চাইৰিন, ছুছা আৰু শেষত কৃষ্ণসাগৰৰ গ্ৰীক নগৰ-ৰাজ্যসমূহলৈ লৈ গ' ল। ৱিল ডুৰাণ্টে লিখিছে:

"য' তেই তেওঁ গৈছিল, তাতেই তেওঁ এজন বিজ্ঞানীৰ দৃষ্টি আৰু এটা শিশুৰ কৌতূহলৰে লক্ষ্য কৰিছিল আৰু প্ৰশ্ন উত্থাপন কৰিছিল। আৰু ৪৪৭ খ্ৰীষ্টপূৰ্বত এথেন্সত স্থায়ী হ' লত, ভূমধ্য সাগৰীয় অঞ্চলৰ ভূগোল, ইতিহাস আৰু ৰীতি-নীতিৰ সমৃদ্ধ নোটৰে সজ্জিত হৈ আহিছিল। এই নোট আৰু হেকেটিয়াছ আদি পূৰ্বসূৰীসকলৰ পৰা অলপ সূত্ৰসংক্ৰান্তিৰে তেওঁ ইতিহাসৰ আটাইতকৈ প্ৰসিদ্ধ গ্ৰন্থ ৰচনা কৰিলে–য' ত ইজিপ্ট, নিকট প্ৰাচ্য আৰু গ্ৰীছৰ জীৱন আৰু ইতিহাসক কিংবদন্তিমূলক আৰম্ভণিৰ পৰা পাৰ্চিয়ান যুদ্ধৰ সমাপ্তিলৈ বৰ্ণনা কৰা হৈছে।"

Ripun Duley

বিষয়বস্তু আৰু মূলভাৱ

ইতিহাসৰ জনক বুলি খ্যাত এই ব্যক্তিজনে তেওঁৰ 'হিষ্টৰিজ'ৰ ভূমিকাত ঘোষণা কৰিছিল যে এই গ্ৰন্থৰ উদ্দেশ্য হৈছে গ্ৰীক আৰু বৰ্বৰ (পাৰ্চিয়ান) সকলৰ মহৎ কাৰ্য্য ভৱিষ্যত প্ৰজন্মৰ বাবে সংৰক্ষণ কৰা আৰু যুদ্ধৰ কাৰণসমূহ উন্মোচন কৰা। নৱমুচাৰ প্ৰতিটোৰ নামেৰে উৎসৰ্গিত নটা ভাগত ৰচিত এই গ্ৰন্থৰ মূল বিষয় হৈছে গ্ৰীক-পাৰ্চিয়ান সংঘৰ্ষ, যাৰ মহাকাব্যিক সমাপ্তি ঘটে ৪৮০ খ্ৰীষ্টপূৰ্বত ছালামিছত। কিন্তু হেৰোডটাছে তেওঁৰ বৰ্ণনাত পূব ভূমধ্য সাগৰৰ ২৪টা বিভিন্ন জাতিৰ পৰম্পৰা, পোছাক, আচাৰ-ব্যৱহাৰ, নৈতিকতা আৰু বিশ্বাসৰ ৰসময় বৰ্ণনাৰে সমৃদ্ধ কৰিছে। গ্ৰন্থখনৰ ব্যাপক কাঠামোৱে ইয়াক এক সীমিত অৰ্থত বিশ্বব্যাপী ইতিহাসৰ মৰ্যাদা দিছে।

পদ্ধতি

হেৰোডটাছৰ পদ্ধতি আছিল পৰোক্ষভাৱে শুনা ঘটনাসমূহ লিপিবদ্ধ কৰা। কৌতূহল আৰু তীক্ষ্ণ নিৰীক্ষণশক্তিৰে তেওঁ ঘটনাৰ কাৰণ সন্ধান কৰিছিল। জলবায়ু আৰু ভৌগোলিক কাৰকৰ প্ৰভাৱৰ যুক্তিসঙ্গত ব্যাখ্যা দিবলৈ চেষ্টা কৰিছিল। কিন্তু কেতিয়াবা তুচ্ছ কাৰণ, নাৰীৰ প্ৰভাৱ বা ব্যক্তিগত কাৰণৰ

ওপৰত গুৰুত্ব দিছিল। অলৌকিকতাত বিশ্বাসী হেৰোডটাছে তেওঁৰ বৰ্ণনাত সপোন, ভৱিষ্যৎবাণী, দৈৱসংকেত আদি সন্নিৱিষ্ট কৰিছিল। শিশুসুলভ কৌতূহলে তেওঁক কেতিয়াবা অন্ধবিশ্বাসলৈও ঠেলিছিল। ষ্ট্ৰাবোৰ মতে, "হেৰোডটাছৰ ৰচনাত বহুতো অবৈজ্ঞানিক কথা আছে।" তেওঁ বিশ্বাস কৰিছিল যে ইথিঅ'পিয়ানৰ বীৰ্য্য ক'লা, ইজিপ্তীয় মেকুৰীয়ে জুইত জাপ মাৰে, ডেনুবিয়ানসকলে গোন্ধতেই মাতাল হয়, পেডাছাছৰ এথেনাৰ পুৰোহিতনীজনে দাড়ি গজাইছিল, নেবুচাদনেজাৰ এগৰাকী মহিলা আছিল, আৰু আল্পছ এটা নদী! কিন্তু তেওঁ আত্মপক্ষ সমৰ্থনত লিখিছিল, "মই যি বৰ্ণনা পাইছোঁ, সেইটো ক’ বলৈ বাধ্য, কিন্তু ইয়াৰ প্ৰতি বিশ্বাস ৰাখিবলৈ নহয়। এই নীতি এই গ্ৰন্থৰ প্ৰতিটো বৰ্ণনাৰে প্ৰযোজ্য।"

## শৈলী

গ্ৰীকসকলৰ প্ৰতি দেশপ্ৰেমিক হৈও হেৰোডটাছে বেছিভাগ ৰাজনৈতিক বিবাদৰ উভয় পক্ষৰ কথা ন্যায়সঙ্গতভাৱে বৰ্ণনা কৰিছে আৰু পাৰ্চিয়ানসকলৰ বীৰত্ব, সন্মান আৰু শৌৰ্য্যৰ প্ৰময় দিছে। ইতিহাসৰ জনক হোৱাৰ লগতে তেওঁ গদ্য ৰচনাৰো পথপ্ৰদৰ্শক। বৰ্ণনাকাৰী হিচাপে তেওঁৰ সমকক্ষ নাই। তেওঁৰ শৈলী আছিল মুক্ত, সৰল, ৰোমাণ্টিক আৰু মোহকৰ–যিয়ে মানুহৰ বিনোদনৰ প্ৰয়োজন, অদ্‌ভুত কাহিনীৰ স্পৃহা পূৰণ কৰিছিল। ব্যক্তি-কেন্দ্ৰিক লিখনিৰে তেওঁ চৰিত্ৰ চিত্ৰণত উৎকৰ্ষতা দেখুৱালে।

Ripun Doley

## মূল্যায়ন

দোষ-ত্ৰুটি থাকিলেও, হেৰোডটাছেই আছিল সময়ৰ সাপেক্ষে মানৱজাতিৰ এক দৃষ্টিভংগি সন্ধান কৰা প্ৰথম ব্যক্তি। চিচেৰোই তেওঁক 'ইতিহাসৰ জনক' বুলি অভিহিত কৰিছে। লুচিয়ান আদি প্ৰাচীনসকলে তেওঁক থুচিডিডিচতকৈ শ্ৰেষ্ঠ বুলি গণ্য কৰিছে। জেমছ টি. শ্বটৱেলৰ মতে, তেওঁ হৈছে 'পাৰ্চিয়ান যুদ্ধৰ হোমাৰ'। এইচ.ই. বাৰ্ণছে কৈছে, "ইতিহাসজ্ঞৰ কৰ্তব্য হৈছে মানুহৰ অতীত জীৱনৰ সম্পূৰ্ণ পুনৰ্নিৰ্মাণ কৰা–এই ধাৰণাৰ প্ৰথম প্ৰৱক্তা হেৰোডটাছ, আৰু তেওঁ ইতিহাস লিখনীৰ ইতিহাসৰ আটাইতকৈ আকৰ্ষণীয় কাহিনীকাৰ।"

কলিংৰুডে হেৰোডটাছক বৈজ্ঞানিক ইতিহাসৰ স্ৰষ্টা বুলি স্বীকাৰ কৰিছে। আধুনিক ইতিহাস লিখনৰ চাৰিটা মাপকাঠীত তেওঁক পৰখ কৰি কেৱল যুক্তিসঙ্গত প্ৰমাণ আৰু ব্যাখ্যাৰ অভাৱতহে ত্ৰুটি ধৰা পৰে। হেৰোডটাছেই প্ৰকৃত ইতিহাসৰ সৃষ্টি কৰিলে। দক্ষ প্ৰশ্নৰ জৰিয়তে তেওঁ মানৱ কৰ্মৰ বৈজ্ঞানিক জ্ঞান আহৰণ কৰিলে–যিটো অসম্ভৱ বুলি ভবা হৈছিল। "এই 'ইতিহাস' শব্দৰ প্ৰয়োগ আৰু ইয়াৰ তাৎপৰ্য্যই

হেৰোডটাছক ইতিহাসৰ জনক কৰি তুলিছে। কিংবদন্তি ৰচনাক বিজ্ঞানমূলক ইতিহাসলৈ ৰূপান্তৰ...পঞ্চম শতিকাৰ এক আৱিষ্কাৰ, আৰু হেৰোডটাছেই সেই আৱিষ্কাৰক।"

Sources:

Assamese translation from E Sreedharan, ***A Textbook of Historiography 550 BC to AD 2000*** Orient BlackSwan, 2011, page no. 12-15

Ripun Doley